**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণী যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত কাইলৈ দিনৰ ১১ বজাত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব।

২। অসমৰ ধিঙত এগৰাকী নাবালিকাক বলাৎকাৰ কৰা ঘটনাৰ প্ৰধান অভিযুক্তটোৰ আজি নিচেই পুৱা মৃত্যু হয়।

৩। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে চৰকাৰে ভাৰতক শীৰ্ষ দহখন সামুদ্ৰিক ৰাষ্ট্ৰৰ ভিতৰত স্থান দিবলৈ চেষ্টা কৰি আছে।

৪। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী ৰক্ষা খাড়ছে নেপালৰ তানাহুন জিলাত কালি হোৱা বাছ দুৰ্ঘটনাৰ ভুক্তভোগীসকলক দেশলৈ অনাৰ বাবে নেপালৰ ৰাজধানী কাঠমাণ্ডুত উপস্থিত হৈছে।

*আৰু*

৫। ভাৰতীয় ক্ৰিকেট দলৰ আগশাৰীৰ বেটছমেন শিখৰ ধাৱানে সকলো ধৰণৰ আন্তৰ্জাতিক আৰু ঘৰুৱা ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণী যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত কাইলৈ দিনৰ ১১ বজাত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৩ সংখ্যক খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে এয়াৰ নিউজ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এয়াৰ নিউজ, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটোৰ পাছতেই আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

অসমৰ ধিঙত এগৰাকী নাবালিকাক বলাৎকাৰ কৰা ঘটনাৰ প্ৰধান অভিযুক্তটোৰ আজি নিচেই পুৱা মৃত্যু হয়। পুৱতিনিশা সমগ্ৰ ঘটনাৰ প্ৰতীকি পুনৰাবৃত্তিৰ বাবে অভিযুক্তটোক আৰক্ষীয়ে ঘটনাস্থলীলৈ নিছিল আৰু তাতেই অভিযু তফজ্জুল ইছলামৰ মৃত্যু হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা তফজ্জুল ইছলামে পলাবলৈ চেষ্টা কৰি ঘটনাস্থলীত থকা এটা পুখুৰীত জাপ দিয়ে। পাছত এছ ডি আৰ এফৰ সহায়ত আৰক্ষীয়ে পুখুৰীটোৰ পৰা অভিযুক্তটোৰ মৃতদেহ উদ্ধাৰ কৰে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ৰাজ্যখনৰ নগাঁও জিলাৰ ধিঙত হোৱা এই নাৰকীয় ঘটনাত

তিনিজন লোক জড়িত আছিল। এই ঘটনাৰ পাছৰে পৰা ৰাজ্যজুৰি ব্যাপক বিক্ষোভ-প্ৰতিবাদ অব্যাহত আছে। আৰক্ষীয়ে অপৰাধীক ধৰিবলৈ অভিযান চলাই আছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই জঘন্য অপৰাধত জড়িত দোষীক শাৰি যাবলৈ দিয়া নহ'ব বুলি ঘোষণা কৰিছে। ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিং আৰু মন্ত্ৰী পীযুষ হাজৰিকাই ধিঙলৈ গৈ ভুক্তভোগী পৰিয়ালটোক ন্যায় প্ৰদানৰ নিশ্চিতি দিছে।

ooooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে তেওঁৰ মন্ত্ৰ্যালয়ৰ কৰ্মচাৰীসকলৰ নিৰাপত্তা, সুৰক্ষা, কল্যাণ আৰু উন্নয়ন শক্তিশাৰী কৰাৰ বাবে তেওঁ প্ৰতিশ্ৰুতিবদ্ধ। কালি এম টি আইত জ্যেষ্ঠ বিষয়া আৰু যুৱ কেডেটসকলক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এই দিশত চৰকাৰে লোৱা ব্যৱস্থাত আলোকপাত কৰে। তেওঁ কয় যে, চৰকাৰে ভাৰতক শীৰ্ষ দহখন সামুদ্ৰিক ৰাষ্ট্ৰৰ ভিতৰত স্থান দিবলৈ চেষ্টা কৰি আছে। তেওঁ লগতে কয় যে, ভাৰত সামুদ্ৰিক বাণিজ্যত বহুখিনি আগবাঢ়ি গৈছে। জাহাজ নিৰ্মাণ, জাহাজ মেৰামতি, উপকূলীয় জাহাজ পৰিবহণ আৰু দেশীয় জলপথৰ ক্ষেত্ৰত ভাৰতে সাফল্য লাভ কৰিছে বুলিও শ্ৰী সোণোৱালে উল্লেখ কৰে। এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে এছ চি আইৰ শীৰ্ষ বিষয়াবৰ্গৰ লগতে এছ চি আই এল এ এল আৰু জাহাজ পৰিবহন সঞ্চালকালয় প্ৰধানৰ বিষয়াবৰ্গৰ সৈতে মিলিত হয়।

ooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, ভাৰত সামৰ্থ্য নিৰ্মাণ, স্থায়ী প্ৰযুক্তি তথা ঔদ্যোগীক অংশিদাৰিত্বৰ বাবে প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আমেৰিকাৰ সৈতে সহযোগ কৰিবলৈ আগ্ৰহী। শ্ৰী সিঙে ৱাছিংটন ডিছিত কালি আমেৰিকাযুক্তৰাষ্ট ভাৰত কৌশলগত সহযোগিতা মঞ্চৰ উদ্যোগত অনুষ্ঠিত এখন ঘূৰণীয়া মেজমেলত শ্ৰী সিঙে এই বুলি উল্লেখ কৰে। এই বৈঠকত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা উদ্যোগৰ জ্যেষ্ঠ নেতাসকলেও অংশগ্ৰহণ কৰে। শ্ৰী সিঙে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিনিয়োগ আৰু প্ৰযুক্তিগত সহযোগিতাক আদৰণি জনায় কয় যে, ভাৰত দক্ষ মানৱ সম্পদ শক্তিশালী প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ আৰু বৃহৎ ঘৰুৱা বজাৰৰ সৈতে সাজু হৈছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ৱাছিংটন ডি চিত আমেৰিকাযুক্তৰাষ্ট্ৰৰ নিৰাপত্তা উপদেষ্টা জেক ছুলিভানকো সাক্ষাৎ কৰে। তেওঁলোকে বিকশিত ভূ-ৰাজনৈতিক পৰিস্থিতি আৰু মূল আঞ্চলিক নিৰাপত্তাজনিত বিষয়ত আলোচনা কৰে।

ooooooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী ৰক্ষা খাড়ছে নেপালৰ তানাহুন জিলাত কালি হোৱা বাছ দুৰ্ঘটনাৰ ভুক্তভোগীসকলক দেশলৈ অনাৰ বাবে নেপালৰ ৰাজধানী কাঠমাণ্ডুত উপস্থিত হৈছে। কাঠমাণ্ডুত থকা ভাৰতীয় দূতাবাসৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি কালিৰ দুৰ্ঘটনাত ২৭ গৰাকী ভাৰতীয়ৰ মৃত্যু হয়। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমতী খাড়ছেয়ে কৈছে যে, তেওঁ ত্ৰিভূবন আন্তৰ্জাতিক বিমান বন্দৰত ভাৰতীয় ৰাষ্ট্ৰদূত নবীন শ্ৰীবাস্তৱ আৰু নেপালৰ বৈদেশিক মন্ত্ৰালয়ৰ যুটীয়া সচিব ভৃগু ধূনগানাৰ সৈতে উদ্ধাৰ অভিযানৰ লগতে পৰৱৰ্তী কাৰ্যব্যৱস্থা সন্দৰ্ভত আলোচনা কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে দুৰ্ঘটনাটোত আহতসকল চিকিৎসাধীন হৈ থকা ত্ৰিভূবন বিশ্ববিদ্যালয় শিক্ষণ হস্পিতাললৈ যায় আৰু আহতসকলৰ স্বাস্থ্যৰ বুজ লয়।

কাঠমাণ্ডুৰ ভাৰতীয় দূতাবাসে স্থানীয় প্ৰশাসন আৰু চিকিৎসালয় কৰ্তৃপক্ষৰ সৈতে অহৰহ যোগাযোগ ৰাখিছে। আহতসকলৰ সঠিক চিকিৎসা আৰু মৃতদেহসমূহ ভাৰতলৈ প্ৰেৰণ কৰাৰ বাবে দূতাবাসে কাম কৰি আছে। ইপিনে মহাৰাষ্ট্ৰ চৰকাৰৰ অনুৰোধ মৰ্মে ভাৰতীয় বায়ুসেনাৰ এখন বিশেষ বিমানত দুৰ্ঘটনাটোত মৃত্যু হোৱাসকলৰ দেহ মহাৰাষ্ট্ৰলৈ অনাৰ ব্যৱস্থা কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালত হোৱা এই শোকাবহ দুৰ্ঘটনাটোত মৃত্যু হোৱা সকলৰ প্ৰতি গভীৰ শোক ব্যক্ত কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কৈছে যে, দুৰ্ঘটনাত ক্ষতিগ্ৰস্তসকলক কাঠমাণ্ডুৰ ভাৰতীয় দূতাবাসে সম্ভৱপৰ সকলো সাহায্য আগবঢ়াব। মৃত্যু হোৱাসকলৰ পৰিয়াললৈ গভীৰ সমৱেদনা জনাই প্ৰধানমন্ত্ৰীয়ে আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

০০০০০০০

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে কৈছে যে, ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত চলি থকা যুদ্ধ সমাপ্তিৰ কূটনৈতিক প্ৰয়াসৰ ক্ষেত্ৰত ভাৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ হিচাপে পৰিগণিত হ'ব পাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰথমটো ইউক্ৰেইন ভ্ৰমণৰ সময়ছোৱাত কালি কিভত হোৱা দ্বিপাক্ষিক আলোচনাৰ সময়ত শ্ৰীমোদীয়ে ৰাষ্ট্ৰপতিগৰাকীক ভাৰতলৈ আমন্ত্ৰণ জনোৱাৰ পাছতে তেওঁ এই বক্তব্য আগবঢ়ায়। বৈঠকৰ পাছত জেলেনস্কিয়ে ভাৰতৰ সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। আলোচনাৰ সময়ত শ্ৰীমোদীয়ে কয় যে, ২০২২ চনৰ ফেব্ৰুৱাৰীত ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধ আৰম্ভ হোৱাৰ পৰাই ভাৰত শান্তিৰ পক্ষত আছে। তেওঁ কয় যে, দেশ দুখনে সময় নষ্ট নকৰি যুদ্ধৰ সমাপ্তিৰ বাবে আলোচনাত বহা উচিত। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিয়ে গোলকীয় দক্ষিণ দেশসমূহৰ ভিতৰত ভাৰতক দ্বিতীয় ইউক্ৰেইন শান্তি সন্মিলন আয়োজন কৰাৰ বাবে প্ৰস্তাৱ দিছিল। প্ৰথমখন শান্তি সন্মিলন যোৱা জুনত ছুইজাৰলেণ্ডত অনুষ্ঠিত হৈছিল য'ত ৯০ খনতকৈও অধিক দেশ আৰু গোলকীয় প্ৰতিষ্ঠানে ভাগ লৈছিল। ইউক্ৰেইনলৈ শান্তি ঘূৰাই অনাই হৈছে তেওঁলোকৰ মূল উদ্দেশ্য। নতুন দিল্লীয়ে ইউক্ৰেইনলৈ শান্তি ঘূৰাই অনাৰ ক্ষেত্ৰত সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

০০০০০০০

ভাৰতীয় ক্ৰিকেট দলৰ আগশাৰীৰ বেটছমেন শিখৰ ধাৱানে সকলো ধৰণৰ আন্তৰ্জাতিক আৰু ঘৰুৱা ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰিছে। সামাজিক মাধ্যমত নিজৰ অৱসৰৰ এটা আৱেগিক ভিডিঅ' প্ৰকাশ কৰি ৩৮ বছৰীয়া শ্ৰী ধাৱানে খেলুৱৈ জীৱনত তেওঁক বিভিন্ন প্ৰকাৰে সহায় কৰা পৰিয়ালৰ লোকসকলৰ লগতে প্ৰশিক্ষক আৰু দলৰ সদস্যসকলক ধন্যবাদ জনায়। বাওঁহতীয়া বেটছমেনগৰাকীয়ে টীম ইণ্ডিয়াৰ হৈ ৩৭খন টেষ্ট, ১৬৭ খন এদিনীয়া আৰু ৬৮ খন টি-টুৱেণ্টি মেচত অংশগ্ৰহণ কৰিছিল। এদিনীয়া খেলত প্ৰদৰ্শন কৰা অনবদ্য বেটিং শৈলীৰ বাবে শিখৰ ধাৱান **মিষ্টাৰ আই চি চি** নামেৰেও জনাজাত আছিল। আন্তৰ্জাতিক ক্ৰিকেটত তেওঁ মুঠ ১০ হাজাৰ ৮৬৭ ৰান সংগ্ৰহ কৰিছে। ইয়াৰ ভিতৰত কেৱল এদিনীয়া আন্তৰ্জাতিকতে শ্ৰী ধাৱানে ছহেজাৰ ৭৯৩ ৰান কৰিছে। শিখৰ ধাৱানে এদিনীয়া আন্তৰ্জাতিকত ১৭ টা শতক আৰু ৩৯ টা অৰ্ধশতক অৰ্জন কৰিছে। তেওঁ ১৫খন খেলত ভাৰতীয় দলক নেতৃত্বও দিছে। খেলুৱৈগৰাকীয়ে ২০২২ চনৰ ডিচেম্বৰত বাংলাদেশৰ বিৰুদ্ধে অন্তিমখন আন্তৰ্জাতিক এদিনীয়াত অংশগ্ৰহণ কৰিছিল। আনহাতে আই পি এলত শিখৰ ধাৱানে ২২২ খন খেলত ছহেজাৰ ৭৬৯ ৰান সংগ্ৰহ কৰিছে। আই পি এলত ২০১৬ চনত তেওঁ প্ৰতিনিধিত্ব কৰা ছানৰাইজাৰ্ছ হায়দৰাবাদ চূড়ান্ত বিজয়ী হৈছিল।

০০০০০০০

সমাপ্ত